**2015**

# ASSAMESE

(MODERN INDIAN LANGUAGE)

**Full Marks : 100**

**Time : Three hours**

*The figures in the margin indicate full marks for the questions.*

১। যিকোনো চাৰিটা প্ৰশ্নৰ উত্তৰ কৰাঁ ঃ ১×৪=৪

(ক) সত্যনাথ বৰাই ৰচনা কৰা গীতৰ পুথিখনৰ নাম কি?

(খ) কুৰ্মাৱলী বধকাব্যৰ ৰচক কোন?

(গ) 'বিহু' শব্দৰ উৎপত্তি সংস্কৃতৰ কি শব্দৰ পৰা হোৱা বুলি ঠাৱৰ কৰা হৈছে?

(ঘ) কনুৱা চৰাইৰ প্ৰিয় খাদ্য কি?

(ঙ) সাহিত্যক 'মানৱতাৰ মগজু' বুলি কোনে কৈছে?

(চ) পৰ্বতাৰোহণ অভিযানক কি বোলা হয়?

২। **যিকোনো চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ ২×৪=৮

(ক) বিশ্বপুথিৰ ৰচক কোন? বিশ্বপাঠ কি পাঠৰ অন্তৰ্গত?

(খ) পুৰণি অসমীয়া নাটৰ নিজ নাম কি? এইবিধ নাটত কেইটা অংক থাকে?

(গ) "মই নিজেই এখন নৰক" — কোনগৰাকী কবিয়ে কোনটো চৰিত্ৰৰ মুখত এই সংলাপটি আৰোপ কৰিছিল?

(ঘ) আহোম যুগত শেন মেলাৰ বাবে কাক কাক নিযুক্তি দিয়া হৈছিল?

(ঙ) ডান্টে কোন দেশৰ কবি? তেওঁ ৰচনা কৰা বিখ্যাত কাব্যগ্ৰন্থখনৰ নাম লিখাঁ।

(চ) ইন্দ্ৰধ্বজ পূজা কোন মাহত আৰু কিয় পতা হৈছিল?

৩। তলৰ **যিকোনো তিনিটা** প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ ৪×৩=১২

(ক) বধকাব্য বুলিলে কি বুজা? *যিকোনো দুখন* বধকাব্যৰ নাম লিখাঁ।

(খ) "বিজেতাই মানুহকহে পৰাস্ত কৰে,
মানুহৰ মনক পৰাস্ত কৰিব নোৱাৰে।"
— কথাষাৰ বুজাই লিখাঁ।

(গ) সাহিত্যৰ প্ৰকাশভংগী বা ষ্টাইল সম্পৰ্কে কি জানা লিখাঁ।

(ঘ) "বিশ্বজনীনতা সাহিত্যৰ এটা ডাঙৰ লক্ষণ" — বুজাই লিখাঁ।

(ঙ) বিহুক ধৰ্মীয় অনুষ্ঠান বুলিব পাৰিনে? আলোচনা কৰাঁ।

৪। শৰীৰৰ কি কি গুণৰ পৰা গৌৰৱ উপজিব পাৰে বুজাই লিখাঁ। ৬

*অথবা*

চিত্ৰ, গীত, অভিনয় অংকীয়া ভাওনাৰ প্ৰধান উপাদান — কথাষাৰ বহলাই লিখাঁ।

৫। **যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ** ১×৩=৩

(ক) মাধৱ কন্দলি কোন শতিকাৰ কবি?

(খ) "ধনবৰ আৰু ৰতনী" কোন শ্ৰেণীৰ কবিতা?

(গ) জোনাকী আলোচনীৰ প্ৰথম সম্পাদক কোন আছিল?

(ঘ) দেৱকান্ত বৰুৱাৰ কবিতা পুথিখনৰ নাম কি?

(ঙ) 'ৰাজপথ' কবিতাটিৰ কবিগৰাকীৰ ছদ্মনামটি উল্লেখ কৰাঁ।

৬। **যিকোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ** ২×৪=৮

(ক) ভটিমাৰ *দুটা* বৈশিষ্ট্য উল্লেখ কৰাঁ।

(খ) বশিষ্ঠ মুনি কোন? বশিষ্ঠাশ্ৰম ক'ত অৱস্থিত?

(গ) দেৱকান্ত বৰুৱাৰ কবিতাত কোনগৰাকী ইংৰাজ কবিৰ কবিতাৰ আৰ্হি দেখা যায়? সেই আৰ্হিক কি বুলি কোৱা হয়?

(ঘ) ৰোমান্টিক কবিতাৰ *দুটা* লক্ষণ উল্লেখ কৰাঁ।

(ঙ) ৰাজপথ কবিতাটিত আধুনিক যুগৰ কোনখিনি সময়ৰ চিত্ৰ অংকিত হৈছে? কবিতাটি প্ৰথমে ক'ত প্ৰকাশ পাইছিল?

(চ) হেম বৰুৱাৰ *দুখন* কাব্যপুথিৰ নাম লিখাঁ।

৭। **যিকোনো দুছোৰা** ব্যাখ্যা কৰাঁ ঃ  ৪×২=৮

(ক) উত্তম অধম যে মধ্যম কহে মন্ত্ৰ।
সত্বৰ ত্ৰিবিধ কৰিবাক লাগে তন্ত্ৰ।।

(খ) মৰম ভিখাৰী, বিচাৰিছোঁ দেৱী
প্ৰাণৰ অমিয়া মাধুৰী।

(গ) যি মৃত্যুৱে দহক জীৱন দিয়ে,
সেই মৃত্যু আত্মাৰ দৰেই অবিনশ্বৰ।

(ঘ) ত্ৰিশ দিন আৰু এঘাৰ দিনৰ গচকত হায় পৰি
দুখুনী অসম জননীৰ দেহি কোঙা হ'ল হাত-ভৰি।

৮। বিভীষণে ৰাৱণক কি কি সজ উপদেশ দিছিল? আলোচনা কৰাঁ।  ৬

*অথবা*

বনকুঁৱৰী *নাইবা* ৰাজপথ কবিতাৰ মূলভাৱ লিখাঁ।

৯। জীৱাশ্ম শব্দৰ অৰ্থ লিখাঁ।  ১

*অথবা*

বোমা বিস্ফোৰণ কোন শ্ৰেণীৰ দুৰ্যোগ উল্লেখ কৰাঁ।

১০। **যিকোনো দুটা প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ** ২×২=৪

(ক) পৰিবেশ কেইবিধ আৰু কি কি?

(খ) প্ৰদূষণ কাক বোলে?

(গ) দুৰ্যোগৰ *যিকোনো দুটা* বিশেষত্ব উল্লেখ কৰাঁ।

(ঘ) দুৰ্যোগ কেইপ্ৰকাৰৰ আৰু কি কি?

১১। পৰিৱেশৰ *যিকোনো এটা* উপাদান সম্পৰ্কে চমুকৈ লিখাঁ। ৪

*অথবা*

ভূমিকম্পৰ সৈতে জড়িত *যিকোনো চাৰিটা* সম্ভাব্য সমস্যা উল্লেখ কৰাঁ।

১২। ভূমিৰ অৱনতি সম্পৰ্কে *এটা* টোকা যুগুত কৰাঁ। ৬

*অথবা*

দুৰ্যোগ ব্যৱস্থাপনাৰ *তিনিটা* স্তৰ সম্পৰ্কে আলোচনা কৰাঁ।

১৩। **যিকোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ** ১×৪=৪

(ক) 'কুশল কোঁৱৰ' নাটকৰ গাঁওবুঢ়াজনৰ নাম কি?

(খ) ভাৰত ত্যাগ আন্দোলন কিমান চনত আৰম্ভ হৈছিল?

(গ) বৈকুণ্ঠ বিহাৰী সিং আচলতে কোন আছিল?

(ঘ) কুশল কোঁৱৰৰ পিতৃৰ নাম কি?

(ঙ) 'কুশল কোঁৱৰ' নাটকখন কেইটা দৰ্শনত শেষ হৈছে?

(চ) 'টেটোন তামুলী' নাটকখন কিমান চনত প্ৰকাশ হৈছিল?

(ছ) 'টেটোন তামুলী' কোন শ্ৰেণীৰ নাটক?

(জ) পদ্মনাথ গোহাঞিবৰুৱাই 'টেটোন তামুলী' নাটকখন কিয় লিখিছিল?

(ঝ) টেটোনৰ ভিনিহিয়েকৰ নাম কি?

(ঞ) 'টেটোন তামুলী' কেইটা অঙ্ক বিশিষ্ট নাটক?

১৪। যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ  ২×১=২

(ক) কুশল কোঁৱৰৰ মাতৃ আৰু পত্নীৰ নাম কি কি?

(খ) "সৰু পথাৰৰ ৰেল দুৰ্ঘটনা আপোনালোকৰ কংগ্ৰেছ ভলন্টিয়াৰে কৰিছে। আপোনাৰ নামত ৱাৰেন্ট আছে।" — কোনে কাক এই কথাষাৰ কৈছে?

(গ) টেটোনৰ দেউতাকৰ নাম কি? টেটোনক ঘৰত থৈ তেওঁ কি কাম কৰিবলৈ গৈছিল?

(ঘ) টেটোনৰ বিৰুদ্ধে থকা *যিকোনো দুটা* গোচৰৰ উল্লেখ কৰাঁ।

১৫। যিকোনো দুটাৰ উত্তৰ লিখাঁ ঃ  ৪×২=৮

(ক) ঐতিহাসিক নাটক কাক বোলে? এইবিধ নাটকৰ *দুটা* বৈশিষ্ট্য উল্লেখ কৰাঁ।

(খ) "আমি ৰণৰ পো, ৰণত মৰিম, বনত মৰিবলৈ নাযাওঁ। তৰিলে দেশ, মৰিলে স্বৰ্গ" — কথাষাৰ কোনে কাৰ আগত আৰু কিয় কৈছিল?

(গ) উত্তম বৰুৱাৰ নাট্যকৃতি সম্পৰ্কে চমুকৈ লিখাঁ।

(ঘ) টেটোনক দেউতাকে কিয় ঘৰৰ পৰা উলিয়াই দিছিল, লিখাঁ।

(ঙ) "বাইটি সাগৰ চালি মাণিক তুলিবলৈ গৈছে" — কোনে কাৰ আগত এই কথাষাৰ কৈছে? কথাষাৰৰ তাৎপৰ্য কি?

(চ) পদ্মনাথ গোহাঞিবৰুৱাৰ নাট্যকৃতি সম্পৰ্কে *এটি* টোকা যুগুত কৰাঁ।

১৬। **যিকোনো এটা প্ৰশ্নৰ উত্তৰ কৰাঁ ঃ** ৬

(ক) কুশল কোঁৱৰক কিয় ফাঁচীৰ হুকুম দিয়া হৈছিল, চমুকৈ লিখাঁ।

(খ) কুশল কোঁৱৰৰ দেউতাক *অথবা* পত্নীৰ চৰিত্ৰ বিশ্লেষণ কৰাঁ।

(গ) টেটোন তামুলীয়ে চম্পাৱতীক কেনেকৈ বিয়া কৰালে, বৰ্ণনা কৰাঁ।

(ঘ) টেটোন তামুলী *অথবা* ন্যায়সোধা ফুকনৰ বিষয়ে কি জানা লিখাঁ।

১৭। অসমীয়া ভাষাত শব্দৰ আৰম্ভণিত ব্যৱহাৰ নোহোৱা *যিকোনো দুটা* বৰ্ণৰ উল্লেখ কৰাঁ। ২

*অথবা*

অ'-ৰ ব্যৱহাৰৰ ফলত শব্দৰ অৰ্থভেদ হয়নে? *এটা* উদাহৰণ দিয়াঁ।

১৮। তলত দিয়া **যিকোনো চাৰিযোৰ** সমোচ্চাৰণ শব্দৰ অৰ্থৰ পাৰ্থক্য দেখুওৱা ঃ ৪

জান — যান, চুটি — ছুটী, দিন — দীন, কথা — কঠা, অণু — অনু, হাট — হাত

*অথবা*

যিকোনো চাৰিযোৰ শব্দৰ শুদ্ধাশুদ্ধ বিচাৰ কৰাঁ ঃ

চিঞৰ — চিঞঁৰ, সঁচা — সচা, কাহী — কাঁহী, নেওগ — নেওঁগ, সিহঁত — সিহত, আঠোটা — আঁঠোটা

১৯। ভাব সম্প্ৰসাৰণ কৰাঁ ঃ 8

ৰাইজে নখ জোকাৰিলে নৈ বয়।

*অথবা*

অভ্যাসৰ নৰ কৰ্ণপথে কৰে শৰ।

———×———